بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ৮ ফেব্রুৱাৰীত মছজিদ বায়তুল ফতুহ মৌৰডনৰ (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আজি যি সকল চাহাবাৰ বিষয়ে উল্লেখ কৰা হ'ব তাৰে প্ৰথম জনৰ নাম হ'ল হজৰত আবু মলিল বিন আল আযআৰ (ৰাঃ)। তেখেতে আনছাৰৰ আউচ কবিলাৰ লোক আছিল। তেখেত (ৰাঃ) য়ে বদৰৰ যুদ্ধ আৰু অহুদৰ যুদ্ধত যোগ দান কৰা সৌভাগ্য লভিছিল।

দ্বিতীয় জন চাহাবা হ'ল হজৰত আনিছ বিন মুৱাজ আনছাৰী (ৰাঃ)। খজৰজ কবিলাৰ এটা শাখা বনু আদিৰ সৈতে তেখেত (ৰাঃ) ৰ সম্পৰ্ক আছিল। তেখেত (ৰাঃ) য়ে বদৰৰ যুদ্ধ, অহুদৰ যুদ্ধ, খন্দকৰ যুদ্ধ আদি কৰি সকলো যুদ্ধতেই নবী কৰিম (ছাঃ) ৰ লগত যোগদান কৰিছিল। বীৰে মাওনাত শ্বাহাদত বৰণ কৰিছিল।

ইয়াৰ পিছত আন এজন চাহাবী আছিল হজৰত আবু শেখ উবায় বিন ছাবিত (ৰাঃ)। এখেত (ৰাঃ) ৰ খজৰজ কবিলাৰ শাখা আদিৰ সৈতে সম্পৰ্ক আছিল। হজৰত উবায় বিন ছাবিত, হজৰত হাছান বিন ছাবিত আৰু হজৰত আউজ বিন ছাবিতৰ ভাই আছিল। তেখেত (ৰাঃ) য়ে বদৰৰ আৰু অহুদৰ যুদ্ধত যোগদান কৰিছিল। তেখেত (ৰাঃ) য়ে বীৰে মাওনাত শ্বহীদ হৈছিল।

আন এজন চাহাবী আছিল হজৰত আবু বুৰধা বিন নিয়াৰ (ৰাঃ)। এখেত (ৰাঃ)আবু বুৰধা উপাধিৰে খ্যাত আছিল। তেখেত (ৰাঃ) ৰ নাম আছিল হানি। হজৰত আবু বুৰধা হজৰত বৰাআ বিন আজবৰৰ মামা আছিল। তেখেত (ৰাঃ) য়ে বয়াতে উকবা ছানিয়াত যোগদান কৰিছিল। হজৰত আবু বুৰধা (ৰাঃ) য়ে যুদ্ধ বদৰ অহুদ,খন্দক আদি কৰি সকলো যুদ্ধতেই ৰছুলুল্লাহ (ছাঃ) ৰ সৈতে যোগ দিছিল। মক্কা বিজয়ৰ দিনা বণু হাৰছাৰ ফালৰ পতাকা আবু বুৰধাৰ হাতত আছিল। হজৰত আবু আবছ আৰু হজৰত আবু বুৰধা (ৰাঃ) য়ে যেতিয়া ইছলাম গ্ৰহন কৰিছিল তেতিয়া দুয়ো মিলি বণু হাৰছা কবিলাৰ উপাস্য দেৱতাৰ মুৰ্ত্তি ভাঙি পেলাইছিল। হজৰত আবু ইমামাৰ পৰা বৰ্ণিত আছে যে যেতিয়া ৰছুলুল্লাহ (ছাঃ) য়ে বদৰৰ যুদ্ধৰ কাৰণে বদৰলৈ যোৱাৰ সিদ্ধান্ত লৈছিল তেতিয়া হজৰত আবু বুৰধা (ৰাঃ) য়ে কৈছিল,তুমি তোমাৰ মাকৰ খিদমত কৰাৰ নিমিত্তে থাকা। তেখেতৰ মাকৰ অসুখ আছিল। হজৰত আবু ইমামা (ৰাঃ) য়ে কৈছিল যে তাই আপোনাৰও ভনী, আপুনি থাকি যাওঁক। যেতিয়া এই বাক-বিতণ্ডা নবী কৰিম (ছাঃ) ৰ কাণ পাইছিল গৈ তেতিয়া আঁহজৰত (ছাঃ) য়ে যুদ্ধৰ শেষত ওভতি আহিছিল তেতিয়া হজৰত আবু ইমামাৰ মাকৰ মৃত্যু হৈছিল। ৰছুলুল্লাহ (ছাঃ) য়ে তাইৰ নমাজে জানাজা পঢ়াইছিল।

অহুদৰ যুদ্ধৰ দিনা মুছলমান সকলৰ ঘোঁৰা আছিল মাত্ৰ দুটা তাৰে এটা ৰছুলে পাক (ছাঃ) ৰ ওচৰত আছিল, যাৰ নাম আছিল আলছকাফ আৰু আনটো ঘোঁৰা হজৰত আবু বুৰধাৰ ওচৰত আছিল যাৰ নাম আছিল মুলাফা। হজৰত আবু বুৰধা হজৰত আলি (ৰাঃ) ৰ লগত সকলো যুদ্ধতেই যোগ দিছিল। হজৰত মোৱাবিয়াৰ নেতৃত্বৰ প্ৰথম সময়ছোৱাত হজৰত আবু বুৰধা (ৰাঃ) মৃত্যু হৈছিল। হজৰত বৰাআ বিন আজিবৰ পৰা বৰ্ণিত আছে যে ৰছুলে কৰিম (ছাঃ) য়ে ঈদুল আজহিয়াৰ দিনা নমাজৰ পিছত আমাক উদ্দেশ্যে কৈছিল যিজনে মোৰ নমাজ পঢ়িছে আৰু মোৰ কোৰবাণীৰ দৰে কোৰবাণী কৰিছে, তেওঁ ঠিক কোৰবাণী কৰিছে আৰু যিজনে নমাজৰ আগতেই কোৰবাণী কৰি পেলাইছে সেয়া কেৱল ছাগলীৰ মাংসৰ বাবে হৈছে অৰ্থাৎ সেয়া কোৰবাণী হোৱা নাই। এই কথা শুনি হজৰত আবু বুৰধা (ৰাঃ) য়ে থিয় হৈ কৈছিল-ইয়া ৰছুলুল্লাহ। মই দেখোন নমাজৰ নিমিত্তে ওলাই অহাৰ আগতেই কোৰবাণী কৰি লৈছো। মই ভাৱিছিলো যে আজিৰ দিনটো খোৱা লোৱাৰ দিন, সেয়ে মই সোনকাল কৰিছো, নিজেই খাইছো আৰু পৰিয়াল বৰ্গ আৰু কাষৰীয়া সকলকও খুৱাইছো। এয়া তোমাৰ কোৰবাণী হোৱা নাই। তেতিয়া হজৰত আবু বুৰধা (ৰাঃ)য়ে কৈছিল যে মোৰ ওচৰত এক বছৰীয়া পঠা ছাগলী পোৱালী আছে আৰু সেয়া স্বাস্থ্য পাতিত দুটা ছাগলীতকৈও ভাল। যদিও এক বছৰীয়া পোৱালী তথাপি দুটা ছাগলীতকৈ বেছি স্বাস্থ্যবান। এই পোৱালীটো মোৰ ফালৰ পৰা কোৰবাণী কৰিলে ঠিক হবনে ? আঁহজৰত (ছাঃ)য়ে উত্তৰত কৈছিল যে হয় কৰিব পাৰা কিন্তু তোমাৰ পাছত আন জনৰ বাবে যথেষ্ট নহয়। অৰ্থাৎ এই অনুমতি কেৱল তোমাৰ নিমিত্তে হে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আকৌ এতিয়া উল্লেখ কৰিম হজৰত আছাদ বিন এজিদ (ৰাঃ) ৰ বিষয়ে। আনছাৰৰ কবিলা খজৰজৰ এটা শাখা বণু জৰিকৰ সৈতে এখেত (ৰাঃ) ৰ সম্পৰ্ক আছিল। তেখেত (ৰাঃ) য়ে বদৰৰ যুদ্ধ আৰু অহুদৰ যুদ্ধত ৰছুলুল্লাহ (ছাঃ) ৰ লগত যোগ দিছিল। আকৌ আন এজন বদৰি চাহাবী আছিল হজৰত তামিম বিন ইয়াৰ আনছাৰী (ৰাঃ)। তেখেত (ৰাঃ)য়ে বদৰ আৰু অহুদৰ যুদ্ধত আঁহজৰত (ছাঃ)ৰ লগত যোগদান কৰিছিল।

আকৌ আন এজন চাহাবী আছিল হজৰত আউচ বিন ছাবিত বিন মনজৰ (ৰাঃ)। এখেতও আনছাৰী আছিল। এখেত (ৰাঃ) বিখ্যাত চাহাবী হজৰত শ্বিদাদ বিন আউচৰ দেউতাক আছিল। এখেতে উকবা ছানিয়াত যোগদান কৰিছিল। বদৰৰ যুদ্ধ আৰু অহুদৰ যুদ্ধত এখেত (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ) ৰ লগত যোগ দিছিল। হজৰত হাচান বিন ছাবিত, যিজন বিখ্যাত কবি আছিল আৰু হজৰত উবায় বিন ছাবিত এখেত (ৰাঃ) ৰ ভাই আছিল। অহুদৰ যুদ্ধত এখেত (ৰাঃ) য়ে শ্বহীদ হৈছিল।

আন এজন চাহাবী আছিল হজৰত ছাবিত বিন খনাছাআ (ৰাঃ)। বণু গনিম কবিলাৰ সৈতে তেখেত (ৰাঃ) ৰ সম্পৰ্ক আছিল। উক্ত কবিলাৰ সম্পুৰ্ণ নাম আছিল বণু গনিন বিন আদি বিন নজাৰ। এখেত (ৰাঃ) য়ে বদৰৰ যুদ্ধ, অহুদৰ যুদ্ধত অংশ গ্ৰহন কৰাৰ সৌভাগ্য লাভ কৰিছিল। এখেত (ৰাঃ) ৰ বিষয়ে ইমানখিনিয়ে উল্লেখ পোৱা যায়।

হজৰত আউচ বিন আছ-ছামত নামৰ এজন চাহাবী আছিল। এখেত হজৰত আবাদা বিন ছামতৰ ভাই আছিল। হজৰত আউচ যুদ্ধ বদৰৰ পৰা আৰম্ভ সকলো যুদ্ধতেই হুজুৰ (ছাঃ)ৰ লগত যোগ দিছিল। হজৰত আউচ বিন ছামত (ৰাঃ) এজন কবি আছিল। হজৰত আউচ বিন আছ-ছামত আৰু শ্বিদাদ বিন আউচ আনছাৰী বায়তুল মোকাদ্দছত বসবাস কৰিছিল। ফিলিস্থিনৰ ভুমি ৰমিলা নামৰ ঠাইত ৩৪ হিজৰিত হজৰত আউচ বিন ছামতৰ ৭২ বছৰ বয়সত মৃত্যু হৈছিল।

আকৌ আন এজন চাহাবী আছিল হজৰত আকৰম বিন আবি আৰকম (ৰাঃ)। বনু মখজুম কবিলাৰ সৈতে তেখেতৰ সম্পৰ্ক আছিল। তেখেত (ৰাঃ) প্ৰথম যুগত ইছলাম গ্ৰহনকাৰী চাহাবা সকলৰে এজন আছিল। কোনো কোনোজনৰ মতে তেখেত (ৰাঃ) য়ে ইছলাম গ্ৰহন কৰাৰ আগতে ১১জন লোকে ইছলাম গ্ৰহন কৰিছিল। আকৌ কিছুমানে কয় যে তেখেত (ৰাঃ) য়ে সাত নম্বৰত গৈ ইছলাম গ্ৰহন কৰিছিল। হজৰত উৰুৱা বিন জাবিৰ (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে হজৰত আকৰম হজৰত আবু উবেদা বিন আলজৰাহ আৰু হজৰত উচমান বিন মজউন একেলগে একে সময়তে ঈমান স্থাপন কৰিছিল। হজৰত আৰকম (ৰাঃ) ৰ এটা ঘৰ মক্কাৰ বাহিৰত কোহাচফাৰ ওচৰত অৱস্থিত আছিল। ইতিহাসত যাৰ নাম দ্বাৰে আৰকম নামেৰে জনাজাত। সেই খন ঘৰত ৰছুলুল্লাহ (ছাঃ)আৰু সেই সময়ৰ ইছলাম গ্ৰহনকাৰী সকলে ইবাদত কৰিছিল। ইয়াতেই হজৰত ওমৰ (ৰাঃ) য়ে ইছলাম গ্ৰহন কৰিছিল। দ্বাৰে আৰকমৰ গুৰুত্ব সম্পৰ্কে বৰ্ণনা কৰোঁতে হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় য়ে আঁহজৰত (ছাঃ) ৰ এয়া ধাৰণা জন্মিছিল যে মক্কাত এটা তবলিগি কেন্দ্ৰ তোলা যাওঁক,মুছলমান সকলে নমাজ আদিৰ বাবে সময়ে সময়ে একেলগ হব পাৰিব আৰু মনে মনে নিৰাপদে নিয়মিত ইছলামৰ তবলিগ কৰিব পৰা যাব। এই উদ্দেশ্যেৰে হুযুৰ (ছাঃ) য়ে এজন নতুন মুছলমান হজৰত আৰকম (ৰাঃ) ঘৰ পছন্দ কৰিছিল,যি খন ঘৰ কোহাচফাৰ কাষতে অৱস্থিত আছিল। ইয়াৰ পিছৰে পৰা সকলো মুছলমানেই ইয়াত একগোট হৈ নমাজ পৰিছিল। সেই কাৰণে ইছলামৰ ইতিহাসত এই ঘৰখন বিশেষ ভাৱে বিখ্যাত আৰু দাৰুল ইছলাম নামেৰে জনাজাত।

মদিনালৈ হিজৰত কৰাৰ পিছত ৰছুলুল্লাহ (ছাঃ) য়ে হজৰত আৰকম (ৰাঃ) আৰু হজৰত আবু তালহা জায়েদ বিন ছহেলৰ মাজত ভাতৃত্ব বন্ধন স্থাপন কৰি দিছিল। হজৰত আৰকম (ৰাঃ) বদৰৰ যুদ্ধ, অহুদৰ যুদ্ধ আদি কৰি সকলো যুদ্ধতেই অংশগ্ৰহন কৰিছিল। তেখেত (ৰাঃ) মুৱাহেদা হিলফুল ফজুলতও অংশ গ্ৰহন কৰিছিল। চন ৫৩ হিজৰিত ৮৩ বছৰ বয়সত এখেত (ৰাঃ) ৰ মৃত্যু হৈছিল। হজৰত আৰকম (ৰাঃ) য়ে অচিয়ত কৰিছিল যে মৃত্যুৰ পিছত তেখেতৰ জানাজা যেন হজৰত ছাআদ বিন আবি উকাচ (ৰাঃ) য়ে পঢ়া, যিজনে তেতিয়া আকিক নামৰ ঠাইত আছিল। সেয়ে ছাআদ বিন আবি উকাচ অহাৰ পিছতহে হজৰত আৰকম (ৰাঃ) ৰ নমাজে জানাজা পঢ়া হৈছিল আৰু জান্নাতুল বকিত (কবৰস্থান) দফন কৰা হৈছিল। এবাৰ হজৰত আৰকম (ৰাঃ) য়ে নমাজ পঢ়াৰ মানসেৰে আঁহজৰত (ছাঃ) ৰ পৰা বায়তুল মোকাদ্দছ যোৱাৰ অনুমতি বিচাৰিছিল। তেতিয়া আঁহজৰত (ছাঃ) য়ে কৈছিল যে মোৰ এই (মদিনাৰ) মছজিদৰ এক নমাজ অইন হেজাৰ মছজিদতকৈ উত্তম। তেতিয়া আৰকম (ৰাঃ) য়ে নিজৰ সিদ্ধান্ত বাতিল কৰিছিল।

এতিয়া আন এজন চাহাবীৰ বিষয়ে উল্লেখ কৰিম যাৰ নাম আছিল হজৰত বছবছ বিন ওমৰ। বনু ছাআদাহ বিন কাআব বিন খজৰজ গোত্ৰৰ সৈতে বছবছ বিন ওমৰ (ৰাঃ) ৰ সম্পৰ্ক আছিল। এখেত (ৰাঃ) য়ে যুদ্ধ বদৰ আৰু অহুদৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল। আঁহজৰত (ছাঃ) য়ে বছবছ আৰু আদি বিন আদি নামৰ দুজন চাহাবাক শত্ৰু সকলৰ কাৰ্য্য আৰু ছাউনীৰ গম লবলৈ বদৰৰ ফালে

পঠিয়াইছিল আৰু আদেশ দিছিল যে অতি সোনকালে খবৰলৈ ঘুৰি আহিব গৈ। হজৰত বছবছ আৰু হজৰত আদি বিন জগবা গৈ যেতিয়া বদৰ নামৰ ঠাইত উপস্থিত হৈছিল তেতিয়া তেওঁলোকে এখন টিলাৰ ওচৰত নিজৰ উট ৰাখি থৈ মগ এখনেৰে কুঁৱাৰ পৰা পানী ভৰাই পাণ কৰিছিল। এনেতে তাত দুজনী মহিলাক কথা পাতি থকা শুনা পাইছিল। তেওঁলোকে দুজনীয়ে কোনোবা দল এটা অহা সম্পৰ্কে কথা পাতি আছিল। যিয়েই নহওঁক চাহাবা দুজনে তাৰ পৰা ঘুৰি আহি আঁহজৰত (ছাঃ) ক সেই তিৰোতা দুজনীৰ কথোপথন সম্পৰ্কে জনাইছিল যে তেওঁলোক দুজনীয়ে এটা দল (কাফেলা) অহা সম্পৰ্কে কথা পাতি আছিল।

ইয়াৰ পিছত আন এজন চাহাবী আছিল হজৰত শ্বোবলা বিন ওমৰ আনছাৰী । বণু নজাৰ কবিলাৰ সৈতে এখেতৰ সম্পৰ্ক আছিল। তেখেত (ৰাঃ) ৰ মাকৰ নাম আছিল কবশা, যিজনী বিখ্যাত কবি হজৰত হাচান বিন ছাবিতৰ ভনী আছিল। হজৰত শ্বোবলা (ৰাঃ) বদৰৰ যুদ্ধৰ পৰা আৰম্ভ কৰি সকলো যুদ্ধতেই আঁহজৰত (ছাঃ) ৰ সৈতে যোগ দিছিল। তেখেত (ৰাঃ) য়ে সেই সকল চাহাবাৰ অৰ্ন্তভুক্ত আছিল, যি সকলে বণু ছালমাৰ মুৰ্ত্তি ভাঙিছিল। হজৰত উচমান (ৰাঃ) ৰ খিলাফত কালত শ্বোবলা (ৰাঃ) ৰ মৃত্যু হৈছিল। এখেত (ৰাঃ) ৰ মদিনাত মৃত্যু হৈছিল।

এতিয়া যিজন চাহাবীৰ বিষয়ে উল্লেখ কৰিম তেখেতৰ নাম আছিল হজৰত শ্বোবলা বিন গণিমাহ (ৰাঃ)। তেখেতৰ মাকৰ নাম আছিল জুহিৰা বিনতে কায়েছ। আনছাৰ কবিলা বণু ছালমিৰ সৈতে এখেতৰ সম্পৰ্ক আছিল। হজৰত শ্বোবলা (ৰাঃ) সেই সত্তৰ জন চাহাবাৰ এজন আছিল যি সকলে বয়াতে উকবা ছানিত অহুদৰ যুদ্ধ খন্দকৰ যুদ্ধত যোগ দিছিল।

আন এজন চাহাবীৰ নাম আছিল হজৰত জাবিৰ বিন খালিদ (ৰাঃ)। আনছাৰৰ কবিলা বণু দিনাৰৰ সৈতে এখেত (ৰাঃ) ৰ সম্পৰ্ক আছিল। হজৰত হাৰছি বিন নুমান বিন উমিয়া আনছাৰী নামৰ এজন চাহাবী আছিল। আনছাৰ কবিলা আউচৰ সৈতে তেখেতৰ সম্পৰ্ক আছিল। তেখেতে বদৰ আৰু অহুদৰ যুদ্ধত নবী (ছাঃ) ৰ লগত যোগ দিছিল। আকৌ আছে হজৰত হাৰিছ বিন আনাছ আনছাৰী (ৰাঃ)। এখেতৰ মাকৰ নাম আছিল উম্মে শ্বৰিক আৰু দেউতাকৰ নাম আছিল আনাছ বিন ৰাফিআ। আউচ কবলিাৰ এটা শাখা বণু আবদা শাহলৰ সৈতে এখেতৰ যোগসুত্ৰ আছিল। এখেতে বদৰ আৰু অহুদত যোগ দিছিল আৰু অহুদৰ দিনাই শ্বাহাদত বৰণ কৰিছিল।

আন এজন চাহাবী আছিল হজৰত হৰিচ বিন জায়েদ আনছাৰী (ৰাঃ)। হজৰত হৰিচ খজৰজ গোত্ৰৰ শাখা বণু জায়েদ বিন হাৰছাৰ সম্পৰ্কীয় আছিল। তেখেতে নিজৰ ভাই হজৰত আব্দুল্লাৰ লগত বদৰৰ যুদ্ধত যোগ দিছিল। মাক আজান সম্পৰ্কে সপোন দেখুৱা হৈছিল। তেখেতে অহুদৰ যুদ্ধত যোগদান কৰিছিল।

হজৰত হাৰছা বিন আছআমাহ নামৰ এজন চাহাবী আছিল। বণু নজাৰ কবিলাৰ সৈতে এখেতৰ যোগসুত্ৰ আছিল। বীৰে মাওনাৰ দিনা এখেত (ৰাঃ) য়ে শ্বাহাদত বৰণ কৰিছিল। আঁহজৰত (ছাঃ) য়ে হাৰছা আৰু হজৰত ছুহেব বিন ছুনান (ৰাঃ) ৰ মাজত ভাতৃত্ব স্থাপন কৰিছিল। হজৰত হাৰছা বিন আছআমাহ বদৰৰ যুদ্ধ অভিমুখে নবী (ছাঃ) ৰ লগত যাত্ৰা কৰিছিল। যেতিয়া আলৰোহ নামৰ ঠাইত গৈ উপস্থিত হৈছিল তেতিয়া এখেত (ৰাঃ) আৰু আগুৱাই যোৱাৰ শক্তি নোহোৱা হৈছিল। আঁহজৰত (ছাঃ) য়ে তেখেতক মদিনালৈ ঘুৰাই পঠাইছিল। কিন্তু তেখেত (ৰাঃ)ৰ নিয়ত আৰু আগ্ৰহ চাই আঁহজৰত (ছাঃ) য়ে তেখেতক বদৰত যোগদান কাৰী চাহাবা সকলৰ মাজত গণ্য কৰিছিল। তেখেত অহুদৰ যুদ্ধত চামিল হৈছিল। সেই দিনা যেতিয়া লোক যুদ্ধত ছেদেলি ভেদেলি হৈ পৰিছিল, সেই সময়ত হজৰত হাৰছা তীব্ৰ প্ৰতিদ্বন্দিতাত ৰৈ আছিল। হজৰত হাৰছা বীৰে মাওনাত অংশ লৈছিল। যেতিয়া এই চাহাবা সকলক শ্বহীদ কৰা হৈছিল, সেই সময়ছোৱাত হজৰত হাৰছা আৰু উমৰু বিন উমিয়া উট চৰাবলৈ গৈছিল। যেতিয়া এখেত ঘুৰি আহিছিল, দেখিছিল যে চৰাই তাত বহি আছে তেতিয়া তেখেতে বুজি পাইছিল যে তেখেতৰ সংগী সকলক শ্বহীদ কৰি দিয়া হৈছে। হজৰত হাৰছা হজৰত ওমৰক কৈছিল যে আপুনি কি ভাৱে ? হজৰত ওমৰ (ৰাঃ) য়ে উত্তৰত কৈছিল যে আমি ঘুৰি গৈ ৰছুলুল্লাহ (ছাঃ)ক খবৰ দিয়াটো ভাল হব। হজৰত হাৰছা (ৰাঃ) কৈছিল যে মই এই ঠাইৰ পৰা পিছ হুহকি নাযাও, ইয়াতে মনজৰক শ্বহীদ কৰা হৈছে, এই বুলি ৰণত জপিয়াই পৰি শ্বহীদ হৈ গৈছিল। হজৰত আব্দুল্লাহ বিন আবি বকৰ কৈছে যে একেধাৰে শত্ৰু সকলে দলিয়াই থকা বল্লমৰ আঘাতত হজৰত হাৰছাৰ শৰীৰ ক্ষত-বিক্ষত হৈ গৈছিল আৰু তেখেত (ৰাঃ) শ্বহীদ হৈ গৈছিল। আল্লাহ তায়লা সকলো বদৰি চাহাবাৰ পৰলৌকক ইহঁলোকিক মৰ্যদা উন্নীত কৰক। (আমিন)

**********

**********

| Assamese Khulasa Khutba Jumma Huzoor Anwar 8 Feb.. 2019 |
| --- |
| To (BOOK POST PARINTED MATTER)<br>--------------------------------------------------------------------------<br>--------------------------------------------------------------------------<br>-------------------------------------------------------------------------- |
| From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844 |